প্ৰকাশৰ অযোগ্য

ভাৰতৰ উচ্চতম ন্যায়ালয়

দেৱানী আপিল অধিকাৰ ক্ষেত্ৰ

দেৱানী আপিল নং ৩৫০ চন ২০২৩

অৰুণাচল প্ৰদেশ লোকসেৱা আয়োগ ও আন এজন ............আপীলকাৰী

বনাম

মিছ হাগে মামুং আৰু অন্যান্য .................... প্ৰতিবাদী

**ৰায়**

ন্যায়ধীশ এম. আৰ. শ্বাহ

১. গৌহাটী উচ্চ ন্যায়ালয়ৰ (ইটানগৰ বিচাৰপীঠ) খণ্ড বিচাৰপীঠে এই আপীলৰ ১ নং প্ৰতিবাদীয়ে উচ্চ ন্যায়ালয়ত দাখিল কৰা লেখ আপীল নং ১২/২০১৯ত প্ৰদান কৰা ১০.০২.২০২২ তাৰিখৰ বিবাদিত আদেশৰ জৰিয়তে উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে লেখ আবেদন নং ৬২/২০১৮ ত প্ৰদান কৰা ০৫.১০.২০১৮ তাৰিখৰ ৰায় আৰু আদেশ খাৰিজ কৰিছিল আৰু উক্ত লেখ আপীল মঞ্জুৰ কৰি অৰুণাচল প্ৰদেশ লোকসেৱা আয়োগক (ইয়াৰ পিছত 'লোকসেৱা আয়োগ' বুলি উল্লেখ কৰা হ'ব) এই আপীলৰ ১নং প্ৰতিবাদী আৰু ৪নং প্ৰতিবাদীৰ নথি-পত্ৰ পুনৰ মূল্যায়ন কৰাৰ বাবে নিৰ্দেশ দিছিল। উক্ত বিবাদিত আদেশত ক্ষুণ্ণ আৰু অসন্তুষ্ট হৈ লোকসেৱা আয়োগে এই আপীল দাখিল কৰিছে।

২. এই আপীল দাখিল কৰিবলগীয়া তথ্যসমূহ সংক্ষিপ্তভাৱে তলত উল্লেখ কৰা ধৰণৰ:

লোকসেৱা আয়োগে ২১.০৯.২০১৬ তাৰিখে কৃষি উন্নয়ন বিষয়াৰ ২২টা পদ পূৰণৰ বাবে বিজ্ঞাপন জাৰি কৰিছিল। এই আপীলৰ ১, ৪ আৰু ৫ নং প্ৰতিবাদীয়ে উক্ত পদসমূহৰ বাবে আবেদন কৰিছিল। তেওঁলোকে লিখিত পৰীক্ষাত সফলতাৰে উৰ্ত্তীৰ্ণ হোৱাৰ পিছত তেওঁলোকক মৌখিক পৰীক্ষাৰ বাবে মতা হৈছিল। কিন্তু ইয়াৰ পিছত যেতিয়া লোকসেৱা আয়োগে ২২ জন প্ৰাৰ্থীক বাচনি কৰি ফলাফল প্ৰকাশ কৰিলে, তেতিয়া উক্ত তালিকাত এই আপীলৰ ১নং প্ৰতিবাদী অৰ্থাৎ মূল লেখ আবেদনকাৰীৰ নাম সন্নিবিষ্ট নহল। এই আপীলৰ ১ নং প্ৰতিবাদী অৰ্থাৎ মূল লেখ আবেদনকাৰীয়ে এখন আৰ. টি. আই. আবেদন দাখিল কৰিছিল আৰু তাৰ ভিত্তিত তেওঁক উত্তৰ বহী আৰু নম্বৰৰ তালিকা প্ৰদান কৰা হৈছিল। প্ৰদান কৰা তথ্য অনুসৰি মূল লেখ আবেদনকাৰীয়ে লিখিত পৰীক্ষাত ২৬৮.৪৫ নম্বৰ লাভ কৰিছিল। ইয়াত দেখা গ'ল যে এই আপীলৰ ৪ নং প্ৰতিবাদী অৰ্থাৎ মূল লেখ আবেদনৰ ৫ নং প্ৰতিবাদীক ২৬৮.৭৫ নম্বৰ দিয়া হৈছিল আৰু বাচনি তালিকাত ২১ নং ক্ৰমিক স্থানত ৰখা হৈছিল। দেখা যায় যে প্ৰশ্ন নং ১২ আৰু প্ৰশ্ন নং ৩১ৰ উত্তৰৰ চিহ্নবোৰ (answer keys) ভুল বুলি ধৰা পৰিছিল আৰু সেয়েহে লোকসেৱা আয়োগে উক্ত প্ৰশ্ন নং ১২ আৰু প্ৰশ্ন নং ৩১ বাতিল কৰাৰ সিদ্ধান্ত লৈছিল আৰু সকলো প্ৰাৰ্থীকেউক্ত দুটা প্ৰশ্নৰ বাবে সমানুপাতৰ ভিত্তিত নম্বৰ দিয়াৰ সিদ্ধান্ত লোৱা হৈছিল যাৰ উত্তৰৰ চিহ্নবোৰ ভুল বুলি ধৰা পৰিছিল।

২.১ এই আপীলৰ ১ নং প্ৰতিবাদী অৰ্থাৎ মূল লেখ আবেদনকাৰীয়ে উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠত এখন লেখ আবেদন দাখিল কৰিছিল

য'ত আন বিষয়ৰ লগতে এই কথাটোও কৈছিল যে তেওঁ দুয়োটা প্ৰশ্ন অৰ্থাৎ প্ৰশ্ন নং ১২ আৰু ৩১ ৰ সঠিক উত্তৰ দিছিল, আৰু এই আপীলৰ ৪ নং প্ৰতিবাদী অৰ্থাৎ মূল লেখ আবেদনৰ ৫ নং প্ৰতিবাদীয়ে কেৱল প্ৰশ্ন নং ৩১ৰ উত্তৰ শুদ্ধকৈ দিছিল আৰু তেওঁ নিজেও এইটো স্বীকাৰ কৰিছে যে তেওঁ প্ৰশ্ন নং ১২ৰ উত্তৰ ভুলকৈ দিছিল । সেয়েহে তেওঁক ১২নং প্ৰশ্ন আৰু ৩১নং প্ৰশ্নৰ বাবে দুই নম্বৰ নিদিব পৰা গ'লহেতেন আৰু সেইটো কৰা হেঁতেন এই আপীলৰ ১ নং প্ৰতিবাদী অৰ্থাৎ মূল লেখ আবেদনকাৰীক এই আপীলৰ ৪নং প্ৰতিবাদী অৰ্থাৎ মূল প্ৰতিবাদী নং ৫ত কৈ অধিক নম্বৰ লাভ কৰিলেহেঁতেন । সেয়েহে এই আপীলৰ ১ নং প্ৰতিবাদী অৰ্থাৎ মূল লেখ আবেদনকাৰীৰ নাম বাচনি তালিকাৰ ক্ৰমিক নং ২১ত এই আপীলৰ ৪নং প্ৰতিবাদী অৰ্থাৎ মূল প্ৰতিবাদী নং ৫ ৰ সলনি ৰখা উচিত আছিল ।

২.২ মহামান্য এজনীয়া বিচাৰপীঠে উক্ত লেখ আবেদন খাৰিজ কৰিছিল। এই আপীলৰ ১নং প্ৰতিবাদী অৰ্থাৎ মূল লেখ আবেদনকাৰীৰ হৈ উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ আদালতত যুক্তি প্ৰদৰ্শন কৰা হৈছিল যে এই আপীলৰ ৪ নং প্ৰতিবাদী অৰ্থাৎ মূল প্ৰতিবাদী নং ৫ য়ে ১২ নং প্ৰশ্নৰ উত্তৰ ভুলকৈ দিছিল আৰু ৩১ নং প্ৰশ্নৰ উত্তৰ সঠিককৈ দিছিল, গতিকে লোকসেৱা আয়োগে তেওঁক যদিও দুই নম্বৰ দিছিল তেওঁ এক নম্বৰ পোৱাৰহে যোগ্য আৰু খণ্ড বিচাৰপীঠে এই যুক্তিগ্ৰহণ কৰি বিবাদিত ৰায় আৰু আদেশৰ দ্বাৰা লেখ আপীল মঞ্জুৰ কৰি এজনীয়া বিচাৰপীঠে জাৰি কৰা ৰায় আৰু আদেশ খাৰিজ কৰিছিল আৰু এই আপীলৰ ১নং প্ৰতিবাদী অৰ্থাৎ মূল লেখ আবেদনকাৰী  তথা এই আপীলৰ ৪ নং

প্ৰতিবাদী অৰ্থাৎ মূল প্ৰতিবাদী নং ৫ৰ নথি-পত্ৰৰ পুনৰ মূল্যায়নৰ নিৰ্দেশ দিছিল।

২.৩ উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে যি বিবাদিত ৰায় আৰু আদেশৰ দ্বাৰা এই আপীলৰ ১নং প্ৰতিবাদী অৰ্থাৎ মূল লেখ আবেদনকাৰী তথা এই আপীলৰ ৪ নং প্ৰতিবাদী অৰ্থাৎ মূল প্ৰতিবাদী নং ৫ৰ নথি-পত্ৰৰ পুনৰ মূল্যায়নৰ বাবে নিৰ্দেশ দিছিল সেই বিবাদিত ৰায় আৰু আদেশত ক্ষুণ্ণ আৰু অসন্তুষ্ট হৈ লোকসেৱা আয়োগে এই আপীল দাখিল কৰিছে।

৩. লোকসেৱা আয়োগৰ হৈ বিজ্ঞ অধিবক্তা শ্ৰীঅনিল শ্ৰীবাস্তৱে সবলভাৱে যুক্তি প্ৰদৰ্শন কৰিছে এই বুলি যে এই গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আৰু নথি-পত্ৰৰ পুনৰ মূল্যায়নৰ কোনো ব্যৱস্থাৰ অবৰ্তমানত, উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে এই আপীলৰ ১নং প্ৰতিবাদী অৰ্থাৎ মূল লেখ আবেদনকাৰী আৰু মূল প্ৰতিবাদী নং ৫ ৰ নথি-পত্ৰৰ পুনৰ মূল্যায়নৰ নিৰ্দেশ দি গুৰুতৰভাৱে ভুল কৰিছে। এই ন্যায়ালয়ৰ ***Dr. NTR University of Health Sciences vs. Dr.YerraTrinadh& Others (Civil Appeal No. 8037/2022, decided on 04.11.2022)*** গোছৰত দিয়া ৰায়ৰ ওপৰত আস্থা প্ৰকট কৰা হৈছে । তেখেতে তেখেতৰ যুক্তি যে- নথিপত্ৰৰ পুনৰ মূল্যায়নৰ কোনো ব্যৱস্থা নাই- ইয়াৰ সমৰ্থনত অৰুণাচল প্ৰদেশ লোকসেৱা আয়োগৰ মেনুৱেল আৰু অৰুণাচল প্ৰদেশ লোকসেৱা আয়োগৰ পৰীক্ষা পৰিচালনাৰ নিৰ্দেশনা, ২০১৭ (চমুকৈ 'নিৰ্দেশনা ২০১৭') ৰ প্ৰাসংগিক বিধানসমূহৰ ওপৰতো আস্থা প্ৰকট কৰিছে আৰু আমাৰো দৃষ্টি আকৰ্ষণ কৰিছে ।

৩.১ পুনৰাই যুক্তি প্ৰদৰ্শন কৰা হৈছে যে এই গোচৰটোৰ ক্ষেত্ৰত যিহেতু দুয়োটা প্ৰশ্নৰ উত্তৰৰ চিহ্ন ভুল বুলি ধৰা পৰিছিল, সেয়েহে উক্ত প্ৰশ্নসমূহ

বাতিল কৰাৰ সিদ্ধান্ত লোৱা হৈছিল আৰু প্ৰতিটো প্ৰশ্নৰ ক্ষেত্ৰতে সকলো প্ৰাৰ্থীক সমানুপাতৰ ভিত্তিত নম্বৰ দিয়াৰ সিদ্ধান্ত লোৱা হৈছিল । এইটো উল্লেখ কৰা হৈছে যে উক্ত পদক্ষেপ 'নিৰ্দেশনা ২০১৭'ৰ দফা ৩৮(v)ৰ সৈতে সংগতিপূৰ্ণ ।

৪.এই আপীলৰ ১নং প্ৰতিবাদী অৰ্থাৎ মূল লেখ আবেদনকাৰীৰ হৈ হাজিৰ হোৱা বিজ্ঞ অধিবক্তা শ্ৰী মনীষ গোস্বামীয়ে এই আপীল তীব্ৰভাৱে বিৰোধিতা কৰিছে ।

৪.১ তেওঁ সবলভাৱে যুক্তি প্ৰদৰ্শন কৰি কয় যে গোচৰৰ ব্যতিক্ৰমী তথ্য আৰু পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে মূল লেখ আবেদনকাৰীৰ লগতে ৫ নং মূল প্ৰতিবাদীৰ নথি-পত্ৰৰ পুনৰ মূল্যায়নৰ নিৰ্দেশ দিয়াত কোনো ভুল কৰা নাই।

এইটো উল্লেখ কৰা হৈছে যেএই আপীলৰ ১নং প্ৰতিবাদীয়ে লাভ কৰা মুঠ নম্বৰ ২৬৮.৪৫ আৰু ৫ নং মূল প্ৰতিবাদীয়ে লাভ কৰা মুঠ নম্বৰ ২৬৮.৭৫ । আকৌ উল্লেখ কৰা হৈছে যে দুয়োজনৰ মাজত নম্বৰৰ পাৰ্থক্য আছিল মাত্ৰ ০.৩০ নম্বৰ। এইটো উল্লেখ কৰা হৈছে যে প্ৰতিটো বস্তুনিষ্ঠ প্ৰশ্নৰবাবে এক নম্বৰকৈ ধাৰ্য্য কৰা আছিল। এইটো উল্লেখ কৰা হৈছে যে আনকি লোকসেৱা আয়োগেও ১২ আৰু ৩১ নং প্ৰশ্ন দুটাৰ উত্তৰৰ চিহ্ন ভুল বুলি স্বীকাৰ কৰিছে।এইটো উল্লেখ কৰা হৈছে যে এই আপীলৰ ১নং প্ৰতিবাদী অৰ্থাৎমূল লেখ আবেদনকাৰীয়ে ১২ আৰু ৩১ নং দুয়োটা প্ৰশ্নৰ সঠিক উত্তৰ দিছিল আৰু সেয়েহে তেওঁ দুই নম্বৰ (প্ৰতিটো প্ৰশ্নৰ বাবে এক নম্বৰ) পোৱাৰ যোগ্য । এইটো উল্লেখ কৰা হৈছে যে যদিও ৫ নং মূল প্ৰতিবাদীক সমানুপাতৰ ভিত্তিত দুই নম্বৰ দিয়া হৈছে তেওঁ কেৱল ৩১ নং প্ৰশ্নৰ উত্তৰহে শুদ্ধকৈ দিছিল আৰু ১২ নং প্ৰশ্নৰ উত্তৰ ভুলকৈ দিছিল। এইটো উল্লেখ কৰা হৈছে যে এনে

পৰিপ্ৰেক্ষিতত তেওঁক মাত্ৰ এক নম্বৰহে দিব লাগিছিল, কিন্তু তাৰ পৰিৱৰ্তে তেওঁক সমানুপাতৰ ভিত্তিত দুই নম্বৰ দিয়া হৈছে, যাৰ ফলত মূল লেখ আবেদনকাৰী প্ৰতি অন্যায় কৰা হৈছে।

৪.২ এইটো উল্লেখ কৰা হৈছে যে বাচনি তালিকাত মূল প্ৰতিবাদী নং ৫ক ক্ৰমিক নং ২১ত ৰখা হৈছে আৰু মুঠ নম্বৰৰ ভিত্তিত মূল লেখ আবেদনকাৰী অৰ্থাৎ এই আপীলৰ ১নং প্ৰতিবাদীৰ নাম বাচনি তালিকাৰ ক্ৰমিক নং ২৩ত থাকিব।এইটো উল্লেখ কৰা হৈছে যে যদি মূল প্ৰতিবাদী নং ৫ক, যিজনক ক্ৰমিক নং ২১ত ৰখা হৈছে, এটা প্ৰশ্নৰ অৰ্থাৎ প্ৰশ্ন নং ৩১ৰ সঠিক উত্তৰ দিয়াৰ বাবে এক নম্বৰহে দিয়া হেঁতেন, তেন্তে মূল লেখ আবেদনকাৰীৰ নাম ক্ৰমিক নং ২১ত থাকিলহেঁতেন। সেয়েহে এই বুলি যুক্তি প্ৰদৰ্শন কৰা হৈছে যে গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মূল লেখ আবেদনকাৰীক ন্যায় প্ৰদানৰ স্বাৰ্থত উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে পৰীক্ষাৰ উত্তৰ বহীৰ পুনৰ মুল্যায়ণৰ নিৰ্দেশ দি সঠিক সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪.৩ এইটো উল্লেখ কৰা হৈছে যে উক্ত প্ৰশ্ন দুটাৰ উত্তৰ প্ৰাৰ্থীসকলে শুদ্ধকৈ দিলে বা নিদিলেও তেওঁলোকক সমানুপাতৰ ভিত্তিত নম্বৰ দিয়াৰ অৰ্থ হ'ব উত্তৰ ভুল হোৱা সত্বেও নম্বৰ দিয়া।

৪.৪ ইয়াৰ উপৰিও এইটো উল্লেখ কৰা হৈছে যে গতিকে লোকসেৱা আয়োগে বহুলভাৱে আস্থা ৰখা 'নিৰ্দেশনা ২০১৭'ৰ দফা ৩৮(v) সমুলি প্ৰযোজ্য নহ'ব। এইটো উল্লেখ কৰা হৈছে যে উক্ত বিষয়টো কেৱল সেই ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব য'ত প্ৰশ্নবোৰ ভুল বুলি ধৰা পৰে কিন্তু উত্তৰৰ চিহ্ন ভুল বুলি ধৰা নপৰে।

৪.৫ এই আপীলৰ ১নংপ্ৰতিবাদীৰ হৈ হাজিৰ হোৱা বিজ্ঞ অধিবক্তা শ্ৰী মনীষ গোস্বামীয়ে এই ন্যায়ালয়ৰ ***High Court of Tripura through***

***the Registrar General Vs. Tirtha Sarathi Mukherjee and others, reported in (2019) 16 SCC 663,*** গোছৰত দিয়াসিদ্ধান্তৰ ওপৰত আস্থা ৰাখি, সবলভাৱে যুক্তি প্ৰদৰ্শন কৰি কয় যে এই ন্যায়ালয়ে পৰ্যবেক্ষণ আৰু মত পোষণ কৰা অনুসৰি কোনো নিৰ্দিষ্ট ব্যৱস্থাৰ অবৰ্তমানতো নথিসমূহৰ পুনৰ মূল্যায়ন কৰিব পৰাটো অনুমোদিত ।

৪.৬ ওপৰত উল্লেখিত যুক্তিসমূহ প্ৰদৰ্শন কৰি এই আপিল খাৰিজ কৰিববৈ প্ৰাৰ্থনা জনোৱা হৈছে।

৫. আমি সকলো পক্ষৰে বিজ্ঞ অধিবক্তাসকলে আগবঢ়োৱা দীঘলীয়া শুনানী গ্ৰহণ কৰিলো।

আৰম্ভণিতে এইটো মন কৰিবলগীয়া যে যিহেতু সাধাৰণ জ্ঞানৰ প্ৰশ্ন কাকতৰ দুটা প্ৰশ্ন অৰ্থাৎ ১২ নং প্ৰশ্ন আৰু ৩১ নং প্ৰশ্নৰ উত্তৰৰ চিহ্ন ভুল বুলি ধৰা পৰিছিল, সেয়েহে লোকসেৱা আয়োগে উক্ত প্ৰশ্ন দুটা বাতিল কৰিববৈ আৰু সমল ব্যক্তিসকলে প্ৰদান কৰা উত্তৰ চিহ্নৰ ভুলৰ বাবে কোনো প্ৰাৰ্থীকে যাতে অন্যায় কৰা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি, ১২ নং প্ৰশ্ন আৰু ৩১ নং প্ৰশ্নৰ বাবে সকলো প্ৰাৰ্থীকে সমানুপাতৰ ভিত্তিত নম্বৰ প্ৰদান কৰিববৈ সিদ্ধান্ত লৈছিল।গতিকে ৫ নং মূল প্ৰতিবাদীকে ধৰি মূল লেখ আবেদনকাৰী আৰু সকলো প্ৰাৰ্থীকে সমানুপাতৰ ভিত্তিত দুই নম্বৰকৈ প্ৰদান কৰা হৈছিল।গতিকে সকলো প্ৰাৰ্থীৰ প্ৰাপ্ত নম্বৰ একেধৰণে বৃদ্ধিৰ কৰাৰ এনে প্ৰক্ৰিয়াৰ পিছত প্ৰাৰ্থী সকলৰ নাম বাচনি তালিকাত একেই ক্ৰমতে থাকিব আৰু প্ৰকৃততে একেই থাকিল। দৰাচলতে মূল লেখ আবেদনকাৰীকো সকলো প্ৰাৰ্থীৰ দৰে ১২ আৰু ৩১ নং প্ৰশ্নৰ বাবে সমানুপাতৰ ভিত্তিত দুই নম্বৰ দিয়া হয়। মূল লেখ আবেদনকাৰীৰ মতে তেওঁ ১২ আৰু ৩১ নং প্ৰশ্ন দুয়োটাৰে সঠিক উত্তৰ দিছিল আৰু মূল প্ৰতিবাদী নং ৫ য়ে এটা প্ৰশ্নৰ উত্তৰ শুদ্ধ আৰু এটা

প্ৰশ্নৰ ভুল উত্তৰ দিছিল, কেৱল এইটো কাৰণেই উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে লোকসেৱা আয়োগে উত্তৰৰ চিহ্ন ভুল বুলি ধৰা পৰা দুটা প্ৰশ্নৰ বাবে প্ৰতিজন প্ৰাৰ্থীক সমানুপাতৰ ভিত্তিত দুই নম্বৰ প্ৰদান কৰাৰ যি সুস্থিৰ সিদ্ধান্ত লৈছিল সেই সিদ্ধান্তৰ বিৰুদ্ধে মাত্ৰ দুজন প্ৰাৰ্থী, অৰ্থাৎ মূল লেখ আবেদনকাৰী আৰু মূল প্ৰতিবাদী নং ৫ ৰ নথি-পত্ৰৰ পুনৰ মূল্যায়নৰ নিৰ্দেশ দিয়াটো ন্যায্য নহয় ।

৬. 'নিৰ্দেশনা ২০১৭'ৰ দফা ৩৮(v) অনুসৰি, যদি পৰীক্ষাৰ প্ৰশ্নকাকতত প্ৰশ্নটোৱেই ভুল আৰু ইয়াৰ শুদ্ধ উত্তৰ মূল্যায়ন সম্ভৱ নহয়, তেনে ভুল প্ৰশ্নসমূহ গুচাই পেলাব পাৰে আৰু তাৰ ফলস্বৰূপে প্ৰাৰ্থীসকলক সমানুপাতৰ ভিত্তিত নম্বৰ প্ৰদান কৰিব । ভুল উত্তৰৰ চিহ্নৰ ক্ষেত্ৰতো একে ধৰণৰ তুলনামুলক নীতি প্ৰয়োগ কৰি যেতিয়া দুটা প্ৰশ্নৰ উত্তৰ চিহ্ন ভুল বুলি ধৰা পৰাৰ ক্ষেত্ৰত সমানুপাতৰ ভিত্তিত নম্বৰ দিয়াৰবাবে লোকসেৱা আয়োগে বিবেচকী সিদ্ধান্ত লৈছিল আৰু যেতিয়া সকলো প্ৰাৰ্থীকে দুই নম্বৰ প্ৰদান কৰা হৈছিল (ওপৰত উল্লেখ কৰা দুটা প্ৰশ্নৰ বাবে এক নম্বৰকৈ), তেনেক্ষেত্ৰত লোকসেৱা আয়োগে অবৈধভাৱে আৰু/অথবা নিৰ্বিচাৰভাৱে আৰু/অথবা কোনো ভুল কৰিছিল বুলি ক'ব নোৱাৰি। গতিকে গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে কেৱল দুজন প্ৰাৰ্থী অৰ্থাৎ মূল লেখ আবেদনকাৰী আৰু মূল প্ৰতিবাদী নং ৫ৰ নথি-পত্ৰৰ পুনৰ মূল্যায়নৰ নিৰ্দেশ দি অতি গুৰুতৰ ত্ৰুটি কৰিছে।

৭. ওপৰৰ কথাখিনি আৰু উল্লেখ কৰা কাৰণসমূহৰ বাবে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে প্ৰদান কৰা বিবাদিত ৰায় আৰু আদেশ গ্ৰহণযোগ্য নহয় আৰু খাৰিজৰ যোগ্য। গতিকে এই আপীল মঞ্জুৰ কৰা হল। উচ্চ

ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে এই আপীলৰ প্ৰতিবাদী নং ১ আৰু প্ৰতিবাদী নং ৪ৰ নথি-পত্ৰৰ পুনৰ মূল্যায়নৰ নিৰ্দেশ দিয়া বিবাদিত ৰায় আৰু আদেশ ইয়াৰ দ্বাৰা খাৰিজ কৰা হ'ল আৰু এজনীয়া বিচাৰপীঠে প্ৰদান কৰা ৰায় আৰু আদেশ যাৰ জৰিয়তে প্ৰতিবাদী নং ১ য়ে দাখিল কৰা লেখ আবেদন খাৰিজ কৰিছিল সেই ৰায় আৰু আদেশ ইয়াৰ দ্বাৰা বাহাল ৰখা হ'ল। খৰচ আৰোপ কৰা নহ'ল।

ন্যায়ধীশ এম. আৰ. শ্বাহ

ন্যায়ধীশ চি টি ৰভিকুমাৰ

নতুন দিল্লী
জানুৱাৰী ২০, ২০২৩

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”

Supreme Court Judgment in Civil Appeal No. 350 of 2023

Translated by: Suchenjit Bayan
Senior Grade Translator,
Translation Wing,
Gauhati High Court

Verified by: Partha Pratim Goswami
Chief Translator,
Translation Wing,
Gauhati High Court